স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

৩ ভাস্কৰাব্দ ☐ ২৩ আগষ্ট ২০২৬ চন ☐ VOL-16 ☐ NO-169 ☐ SUNDAY 23 AUGUST 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRU

## য়তবাসীৰ সমস্যাৰ অৱসান

## বিধায়ক নৱ দলেৰ



**নিয়মীয়া বাৰ্তা, ঢকুৱাখনা, ২২ আগষ্ট ঃ** স্বাধীনতাৰ ৮০ বছৰ পিছত পকী দলঙৰ মুখ দেখিলে ঢকুৱাখনা সমষ্টিৰ অন্তৰ্গত দাংধৰা আৰু খেৰকটা পঞ্চায়তৰ বৃহত্তৰ অঞ্চলৰ ৰাইজে। বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ দীৰ্ঘদিনীয়া সমস্যাৰ অৱসান ঘটাই বকুলগুৰিৰ পৰা বাজীপথাৰ পথৰ কংকুৰমুখ জানৰ ওপৰত নিৰ্মিত ৫০ মিটাৰ দৈৰ্ঘ্যৰ পকী দলংখন আজি আনুষ্ঠানিকভাৱে *১৫ পৃষ্ঠাত*

### ৰ চাহ উদ্যোগ

## চাহ কাৰখানা

অসমৰ বিভিন্ন চাহ কাৰখানাত প্ৰৱেশ কৰাৰ অভিযোগ গুৰুতৰভাৱে বিবেচনা কৰা হোৱা নাই। সন্থাৰ অভিযোগ অনুসৰি, বহিঃৰাজ্যৰ একাংশ ব্যক্তিয়ে অসমত প্ৰায় ৩০টাতকৈও অধিক চাহ কাৰখানা লীজত লৈ বহিঃৰাজ্যৰ কেঁচা চাহপাত আমদানি *১৫ পৃষ্ঠাত*



## অনলাইন মাধ্যমত কানৈ কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন

**বিশেষ বাৰ্তা, ডিব্ৰুগড় ২২ আগষ্ট ঃ** তথ্য প্ৰযুক্তিৰ লগত খোজত খোজ মিলাই, এক শান্তিপূৰ্ণ পৰিৱেশত আজি অসমৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈ যায়। ষষ্ঠ বাৰৰ বাবে সম্পূৰ্ণ অনলাইন পদ্ধতিৰে অনুষ্ঠিত নিৰ্বাচনত পৰাজিত প্ৰাৰ্থীসকলে বিজয়ীসকলক হাতে হাত মিলাই বিজয়ৰ প্ৰমাণ পত্ৰ প্ৰদান কৰি এক আদৰ্শৰ বাট দেখুৱায়। মহাবিদ্যালয়খনৰ অধ্যক্ষৰ সভাকক্ষত পুৱা ৯ বজাত অনলাইন মাধ্যমত *১৫ পৃষ্ঠাত*

### তুল বৰাৰ ঘো

## আইনী

নাক্ত, গ্ৰেপ্তাৰ হৈছে তিনি অভি
াই পঠোৱাৰ ব্যৱস্থা গ্ৰহণ ঃ
মেঘালয় চৰকাৰে ঃ ৰাজ্যৰ মুখ্



■ প্ৰতিবাদীক জনা

## মন্ত্ৰী বৰা পিছতে স প্ৰত্যাহাৰ

টি



স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

# অনলাইন মাধ্যমত কানৈ কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন

অনুশীলন ভোট আৰম্ভ হোৱাৰ পিছত পুৱা ১০ বজাৰ পৰা বিয়লি ২ বজালৈ অনলাইন মাধ্যমত ভোটদান প্ৰক্ৰিয়া সম্পন্ন হয়। সম্পূৰ্ণ নিকাভাৱে ভোটদান প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পিছত বিয়লি ২.১৫ বজাত ভোটদান প্ৰক্ৰিয়াৰ ফলাফল ঘোষণা কৰা হয়। ২০২৬-২০২৭ বৰ্ষৰ এই বাৰৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মুঠ ১৪ টা পদৰ বিপৰীতে ১০ টা পদৰ বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনত ২৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগ বঢ়াইছিল। পুৱা ১০ বজাৰ পৰা বিয়লি ২ বজাৰ ভিতৰত অনুষ্ঠিত হোৱা ভোটদান প্ৰক্ৰিয়াত মহাবিদ্যালয়ৰ মুঠ ৪০৮৫গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মুঠ ৩০০৬গৰাকীয়ে ভোটদান কৰে আৰু ভোটদানৰ হাৰ আছিল ৭৩.৫৯ শতাংশ। ইয়াৰে ১১৮৯ গৰাকী ছাত্ৰ আৰু ১৮১৭ গৰাকী ছাত্ৰীয়ে তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। উক্ত নিৰ্বাচনত ক্ৰমে সাধাৰণ সম্পাদকৰ পদত গৌৰৱ গগৈয়ে ১৩২৭ টা ভোট, সহকাৰী সাধাৰণ সম্পাদক পদত স্নেহা বুঢ়াগোহাঁয়ে ১১৪৪ টা ভোট, সমাজ সেৱা সম্পাদকৰ পদত প্ৰিয়াঞ্চু মধুকুল্যই ১৩০৬ টা ভোট, গুৰু ক্ৰীড়া সম্পাদকৰ পদত ৰাঘৱ দলেয়ে ১২২২ টা ভোট, উপ-সভাপতি পদত গমুক টায়ে ১৪৮১ টা ভোট, লঘু ক্ৰীড়া সম্পাদকৰ পদত মিত্ৰিকা দেয়ে ৮০৪টা ভোট, আলোচনী আৰু সাহিত্য সম্পাদকৰ পদত সমীৰ কোঁৱৰে ১৩৩৯ টা ভোট, সাংস্কৃতিক সম্পাদকৰ পদত প্ৰিয়াংশু গগৈয়ে ১০৮৬ টা ভোট, ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ পদত ৰাজদ্বীপ বৰাই ১৫২১ টা ভোট, আৰু শৰীৰ চৰ্চা সম্পাদকৰ পদত ৰাজেন যাদৱে ১৬৮৭টা ভোট লাভ কৰি জয় লাভ কৰে। সমান্তৰালভাৱে সভাপতি পদত দুৰ্লভজ্যোতি কুৰ্মী, সংগীত সম্পাদক পদত আকাশ কোঁৱৰ, তৰ্ক সম্পদক পদত পূজা বুঢ়াগোহাঁই আৰু ছাত্ৰী জিৰণি কোঠা সম্পাদক পদত পংখী হাজৰিকাই বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'বলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই নিৰ্বাচনটি সুকলমে অনুষ্ঠিত কৰাত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, মুখ্য নিৰ্বাচনী বিষয়া ড° মৃদুল শৰ্মাৰ লগতে নিৰ্বাচন প্ৰক্ৰিয়াটোৰ লগত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত হৈ থকা প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী তথা চিষ্টেম ডেভেলপাৰ কাকুল বেজ বৰুৱাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে ছাত্ৰ একতা সভাৰ আজিৰ এই নিৰ্বাচনত মহাবিদ্যালয় চৌহদত প্ৰৱেশ নকৰাকৈ ছাত্ৰ-ছাত্ৰীসকলে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। বিয়লি ২.১৫ বজাৰ পৰা অনুষ্ঠিত ছাত্ৰ একতা সভাৰ নি ৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়াত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়াৰ লগতে পৰিচালনা সমিতিৰ সদস্য ড° গোপাল চন্দ্ৰ হাজৰিকা, অভিমন্যু বৰুৱাকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকলৰ উপস্থিতিত আজি অনুষ্ঠিত ছাত্ৰ একতা সভাৰ নিৰ্বাচন অতি সুন্দৰভাৱে অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে বিগত ২০১৮ চনত মহাবিদ্যালয়খনে ডিজিটেল পদ্ধতিত প্ৰথমবাৰৰ বাবে ২০টা কম্পিউটাৰ ব্যৱহাৰ কৰি নি ৰ্বাচন অনুষ্ঠিত কৰাৰ পিছত ২০১৯ চনত এই ভোটদান প্ৰক্ৰিয়া সম্পূৰ্ণ অনলাইন পদ্ধতিলৈ উন্নীত কৰা হয় আৰু দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে ভোটদান সা ব্যস্ত কৰিব পৰা হয়। ২০২১-২০২২ বৰ্ষৰ পৰা ম'বাইলত এল এম এছ ছ'ফটৱেৰৰ অধীনত ৱে'ব বেছড় এপ্লিকেচনৰ মাধ্যমত সম্পূৰ্ণ অনলাইন পদ্ধতিত ভোটদান ব্যৱস্থা সংযোজন হয়। এইবাৰো সেই পদ্ধতিৰে নিৰ্বাচন অনুষ্ঠিত কৰাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কোনোধৰণৰ সংঘাতৰ সুৰুঙা বৈ যোৱা নাই। উল্লেখ্য যে ২০২২-২৩ শিক্ষা বৰ্ষৰ পৰা শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাৰ সম্পূৰ্ণ অনলাইন মাধ্যমত সম্পন্ন হৈ আহিছে, ২০২৫ বৰ্ষৰ পৰা মহাবিদ্যালয়ৰ সকলো প্ৰশাসনিক কাম-কাজ কাগজবিহীনভাৱে সম্পূৰ্ণ অনলাইন মাধ্যমত সম্পন্ন কৰি অহাৰ লগতে চলিত বৰ্ষৰ পৰা 'কৰ্মবন্ধু' এপৰ জৰিয়তে মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ কামৰ খতিয়ানো অনলাইন মাধ্যমত লোৱাৰ ব্যৱস্থা কৰি মহাবিদ্যালয়খনে দেশৰ ভিতৰতে এক ব্যতিক্ৰমী পদক্ষেপ দেখুৱাবলৈ সক্ষম হৈছে।